জুন, ২০১৯

# ক্রন্দসী

নক্সা ৰ কাব্য পৰিপূৰিকা

এটা অসমীয়া কবিতাৰ ৫০ বছৰ

Scanned by CamScanner

প্ৰকাশৰ বাবে সাজু





## নক্সাৰ প্ৰকৃতি আৰু পৰিৱেশ বিশেষ সংখ্যাটি

## কেনে আছে আমাৰ অৰণ্য ?

## কেনে আছে বন্যপ্ৰাণ ?

এই সংখ্যাটি সজাইছে ঃ

সৌম্যদ্বীপ দত্ত, দেবজিৎ ফুকন, শৈলেন বৰুৱা, মুবিনা আখতাৰ, পংকজ গোবিন্দ মেধি, অপূৰ্ব বল্লভ গোস্বামী, ড° সমাদৃতা গোস্বামী, দিব্যলতা দত্ত, গায়ত্ৰী দেৱী বৰঠাকুৰ, ড° বিজয়কৃষ্ণ দলে, মালাদেৱী বৰগোহাঁই, জ্যোৎস্না বৰগোহাঁই, নিবেদিতা বড়া সন্দিকৈ, দেৱব্ৰত গগৈ, জয়দীপ শীল, কৃতিগোপাল দাস, গোলাপ গগৈ, ভৱপ্ৰসাদ দেউৰী, ড° কুমুদ ঘোষ, বুবুল শৰ্মা, কিশোৰ কুমাৰ চৌধুৰী, লীলাকান্ত পায়েং, জয়ন্ত ভূএগ, শৈলেন বৰকাকতি, জেহিৰুদ্দিন খান, শাস্বতী শৰ্মা, মৌচুমী গগৈ, মানস প্ৰতিম দত্ত, দিগন্ত কুমাৰ কাকতি আৰু বহুতো...




Scanned by CamScanner

# নক্সা নৈসৰ্গ

## এই সংখ্যাত আছে–

ধুবুৰী, গোৱালপাৰা, নলবাৰী, নগাঁও, মৰিগাঁও, কাৰ্বিআংলং, গোলাঘাট, লখিমপুৰ, ধেমাজি, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড় জিলাৰ বন, বন্যপ্ৰাণী আৰু পৰিৱেশৰ সামগ্ৰিক দিশৰ সাম্প্ৰতিক স্থিতিৰ বিষয়ে চিন্তা-উদ্দীপক প্ৰতিবেদন।।

চক্ৰশীলা আৰু পবাৰ ক্ষেত্ৰভিত্তিক পৰ্যালোচনা।।

হাতী-মানুহৰ ভয়ংকৰ সংঘাতৰ উঁহ বিচাৰি এক বাস্তৱসন্মত প্ৰতিবেদন।। বান্দৰ-মানুহৰ সংঘাত সম্পৰ্কতো বিশ্লেষণ।।

প্ৰকৃতিৰ সৈতে অসমৰ সংস্কৃতিৰ সম্পৰ্কৰ এক পৰীক্ষামূলক ব্যঞ্জনাৰে প্ৰথমবাৰৰ বাবে 'প্ৰকৃতি আৰু সংস্কৃতি'ত মিচিং, টাই-আহোম, সোণোৱাল কছাৰী, কোচ জনগোষ্ঠীৰ সংস্কৃতিত পৰিৱেশৰ অনুষংগমূলক ৰচনা।।

মৌখিক সাহিত্য, সাধুকথা, সংস্কৃত সাহিত্যত প্ৰকৃতিৰ চিত্ৰণৰ বিষয়ে মনোজ্ঞ আলোচনা। পৰিৱেশ সংৰক্ষণ বিষয়ক অসমীয়া সাহিত্য সম্পৰ্কত গৱেষণামূলক আলোচনা।

চলচ্চিত্ৰত প্ৰকৃতিৰ প্ৰসংগ বিশ্লেষণ আৰু 'ইক' ফেমিনিজম সম্পৰ্কত নক্সাৰ এক বিশাল আয়োজন।

অসমীয়া আলোচনীৰ ইতিহাস নক্সাৰ এক মনোজ্ঞ আয়োজন।

অসমত এচাম চিৰিয়াছ পাঠক-লেখক সৃষ্টিৰ তাড়নাৰে উদ্বেলিত যাৰ যাত্ৰা...


*(ধেমাজি কাৰ্যালয় ৯৯৫৪৪০৭০০৮। ডিব্ৰুগড় কাৰ্যালয় ৮৬৩৮৭৩৫৭৬৯। )*

**Email.** naksa.dhemaji@gmail.com

**YouTube**. naksa-an assamese perodical

**Facebook**. **http://www.facebook.com/naksha.dhemaji**


**#CONTACT US FOR YOUR SPECIAL COPY#**

Scanned by CamScanner

# ক্রন্দসী

নত্মা ৰ কাব্য পৰিপূৰিকা

তৃতীয় সংখ্যা।। জুন ২০১৯

## এই সংখ্যাৰ আলোচনা ঃ

ড° নৱ কুমাৰ চমুৱা

**সাম্প্রতিক সমাজ-জীৱনৰ প্রেক্ষাপটত এটা অসমীয়া কবিতাৰ পঞ্চাশ বছৰ**

## এই সংখ্যাৰ কবিসকল ঃ

ৰুদ্রসিংহ মটক
বিকাশজ্যোতি শইকীয়া
জোনমণি দাস
ননী বৰদলৈ
দ্বীপৰাজ
অৰূপ কুমাৰ দাস
হিমাংগ দাস
হেমচন্দ্র কছাৰী
লুইত কিৰণ দাস
পাৰ্থ সীমান বৈশ্য
দীপালী দেৱী চৌধুৰী
দিগন্ত নিবিড়
ঋতুবাস্তৱ হাজৰিকা
ননী বৰদলৈ
চুনা কুমাৰ পাঠৰী
মদাৰজ্যোতি কছাৰী
সুপ্রকাশ দাস
দেবাশিস বুঢ়াগোহাঁই

**ক্রন্দসীৰ জুলাই সংখ্যাত**
অনিন্দিতা কলিতা, অংকুৰ বৰা, গোলাপ কুমাৰ, মানসজ্যোতি নাথ, নয়নদীপ দত্ত, অশ্রুসীমনা সোণোৱালকে ধৰি তৰুণ প্রজন্মৰ বহুকেইগৰাকীৰ কবিতা আৰু ব্যতিক্রমী সম্ভাৰেৰে...



Scanned by CamScanner

# সম্পাদকীয়ৰ পৰিৱৰ্তে.....

কবিতা এটা লিখা আৰু কবিতা এটা পঢ়া একে নহয়। কবিতা লিখাত যিদৰে কবিৰ সূক্ষ্ম অধ্যয়ন, নিৰ্মাণ শৈলী, পৰ্যবেক্ষণ জড়িত হৈ থাকে একেদৰে পাঠকে অধ্যয়ন কৰা কবিতাসমূহৰ পৰাই পাঠকৰ এক ৰুচিবোধ গঢ় লৈ উঠে। এই ৰুচিবোধ তথা অধ্যয়নে কবিতা সম্পৰ্কীয় এক স্বকীয় ধাৰণা প্ৰত্যেকৰে মনত গঢ় দিয়ে । ফলত সকলো পাঠকে সকলো ধৰণৰ কবিতাৰ স্বাদ গ্ৰহণ কৰিব নোৱাৰে। কবিৰ ক্ষেত্ৰতো কথাষাৰ একে ।

সম্প্ৰতি আমাৰ মনত এনে এক মনোভাৱ গঢ়ি উঠিছে যে, কবিতা এক তেনেই সহজ কাৰবাৰ ( শিল্প বুলিও ভাবিবলৈ এৰা দেখা গৈছে)। আচলতে কবিতা বিষয়ক এই কথাবোৰ কবিতা লিখা প্ৰতিজনে অনুভৱ নকৰালৈকে কবিতাৰ এই বিতৰ্কবোৰ চলিয়ে থাকিব । কবিতা এটা লিখাৰ আগতে আমি মনত ৰখা উচিত আমি কি লিখিম , কিয় লিখিম, এই বিষয়ে মই নিলিখিলে সমাজৰ কি উপকাৰ অথবা অপকাৰ হ'ব । যিহেতু আমি কবিতা লিখিবই লাগিব বুলি যিদৰে কোনো কথা নাই কবিতা লিখা অনুচিত বুলিও কোনো কথা নাই ।



প্ৰত্যেক কবিতাৰে একো একোটা দেহ থাকে। প্ৰত্যেক শব্দৰে অৰ্থ থাকে । প্ৰত্যেক বাক্যৰে একো একোটা সাজোন আছে । সেই সাজোনত শব্দবোৰ ভৰি থাকে, শব্দবোৰে পূৰ্ণতা লাভ কৰে । এই সাজযোৰ আমি পিন্ধা কাপোৰৰ দৰেই । বহুতে কাপোৰ যোৰ চায় , বহুতে আকৌ ৰংবোৰ চায় । আন বহুতে কাপোৰযোৰত থকা আৰ্হিটো চায়। ধুনীয়া কাপোৰ পিন্ধিলেই যিদৰে এজন ব্যক্তি দেখনিয়াৰ হৈ নুঠে , একেদৰে শব্দৰ সংযোগ কৰিলেই কবিতা হৈ নুঠে। গতিকে কবিতা লিখাৰ পূৰ্বে কবিসকলে এই দিশসমূহক গুৰুত্ব দিলে কবিতা জনমুখী হৈ উঠিবই ।



Scanned by CamScanner



# সাম্প্ৰতিক সময়ৰ প্ৰেক্ষাপটত এটা অসমীয়া কবিতাৰ পঞ্চাশ বছৰ

ড° নৱ কুমাৰ চমুৱা

সাহিত্য মানুহ, জীৱন আৰু সমাজৰ বাবে। মানুহৰ জীৱনৰ বৈবিধ্যময় স্তৰৰ আনুভূতিক ব্যঞ্জনা আৰু সমাজৰ কলাসন্মত উপস্থাপনতে সাহিত্যৰ সাৰ্থকতা আৰু ভৱিষ্যত নিৰ্ভৰ কৰিছে। আমাৰ শিল্প-সাহিত্যাই কলাসন্মত ৰূপত আমাৰ সমাজ-জীৱনৰ খুঁটি-নাতিবোৰ পুংখানুপুংখকৈ দেখুৱাব পাৰিব লাগিব। সাহিত্যাই মানুহক, সমাজক মাৰ্গদৰ্শন কৰিব পাৰিব লাগিব। চিন্তাৰ উদ্ৰেক কৰি নাগৰিকৰ মন সংস্কাৰ আৰু নব্য দৃষ্টিভংগীৰে উদ্বেলিত কৰিব পাৰিব লাগিব। সেয়ে নহ'লে সাহিত্য আৱৰ্জনাৰ স্তূপ অথবা বিলাসৰ সামগ্ৰী। যশপ্ৰাৰ্থী, বঁটা আকাংক্ষী মনৰ মানুহে সাহিত্যক আত্ম-



Scanned by CamScanner

অস্তিত্ব ৰক্ষাৰ মাধ্যমৰূপে ব্যৱহাৰ কৰে।

অসমীয়া সাহিত্যত মহৎ সাহিত্য আখ্যা দিব পৰা বা সৰ্বভাৰতীয় পৰ্যায়তে প্ৰতিনিধিত্ব কৰিব পৰা সাহিত্যৰ সংখ্যা তেনেই নিঃকিন। তাৰ মাজতো দুই-এক ৰচনাই দেশ আৰু সময়ৰ উৰ্ধত থাকি জাতি-মাটি আৰু মানুহৰ কথা কয়।

ৰাজ্যৰ আজিৰ অৰাজক সময়ত উপস্থিত হৈ আমি মৰ্মে মৰ্মে অনুভৱ কৰোঁ—কোনে আমাক ন্যায় দিব, কোনে আমাৰ স্বকীয়তা ৰক্ষা কৰিব ! গণতন্ত্ৰৰ কবচ - কুণ্ডল বান্ধি ৰজাঘৰ চলাওঁতাৰ মুখলৈ চাবলৈ আমাৰ আস্থা, বিশ্বাস অথবা আন্তৰিকতাৰ অভাব। ৰাইজ মাৰবান্ধি ওলালেও সেয়া দেশদ্ৰোহৰ ৰাজনীতি বুলি উপেক্ষা কৰে। দেশৰ-দহৰ এই অস্থিৰ সময়ত মনলৈ আহিছে দেশৰ ভৱিষ্যতৰ ইংগিত বহন কৰা এটা কবিতালৈ। কলঙপৰীয়া দেৱকান্ত বৰুৱাৰ 'লাচিত ফুকন' নামৰ কবিতাটিৰ ৰচনাৰ পঞ্চাশ বছৰীয়া সন্ধিক্ষণত বৈ আমিও চাব খুজিছোঁ সময়, সমাজ আৰু কাব্যৰ ভাবনাক। (কবিতাটোৰ মাজৰে দুই-এক পংক্তিক উদ্ধৃতিৰ বিপৰীতে এই ৰচনাৰ উপ-শীৰ্ষক হিচাপে ব্যৱহাৰ কৰা হৈছে।)

### ❒ "লুইতৰ এই বিশাল পাৰত নাই আৰু অসমীয়া<br>মৰি হাজি ঢুকাল সকলো, চিন চাব নাইকীয়া।"

প্ৰব্ৰজনৰ পৰম্পৰাৰে সমাজ-সভ্যতা আৰু সংস্কৃতি গঢ়া বৰ অসমত এতিয়া অসমীয়াৰ থিতাপি নাই। জাতিৰ সংজ্ঞা হেৰুৱাৰ পাছত এতিয়া ক্ৰমশঃ ভৰিৰ তলৰ মাটি আৰু মুখৰ মাত হেৰুৱাৰ উপক্ৰম হৈছে। এফালে ভোগ-লালসা, ক্ষমতা-শাসন আৰু দুৰ্নীতিৰ পৰ্বত প্ৰমাণ বোজাৰে ৰাজ্যৰ সামাজিক-সাংগঠনিক আৰু ৰাজনৈতিক পৰিমণ্ডল চূৰ্ণাকৃত কৰা হৈছে। দলে বলে আগ্ৰাসী বহিৰাগতৰ সমস্যাই বিষাক্ত কাঠফুলা হৈ ৰাজ্যৰ দশোদিশ ছানি ধৰিছে। নৈ-পাহাৰ, চৰ-বলুকা, কাজিৰঙা-সত্ৰ সকলোতে এতিয়া বহিৰাগতৰ উথপ্‌থপনি। ভোট বেংক আৰু সমষ্টি ৰক্ষাৰ অংক মিলোৱা ৰাজনীতিকৰ চলনাৰে লুইতৰ দুইপাৰ এতিয়া বহিৰাগতৰ আবাসভূমি কৰিবলৈ চেষ্টা চলোৱা হৈছে। মুখৰ ভাষা, সংস্কৃতি, সামাজিক জীৱন—ক'তোৱেই এতিয়া অসমীয়াত্বৰ গোন্ধ নাই। এটা বিদেশী, বিদেশী গোন্ধে লুইতৰ দুই পাৰ ৰাজত্ব কৰিছে। অসমীয়া ক'ত?



Scanned by CamScanner


❒ "অসমৰ এই কাম্যভূমিত চৰিছে গাধৰ পাল, বোজা বই বই পৰিল কঁকাল পিঠিৰ ছিগিল ছাল।"

স্বদেশ-স্বজাতিৰ মংগল সাধনৰ বাবে যিসকলক জনতাই আগবঢ়াই দিয়ে, তেওঁলোক হৈ পৰে জনতাৰ বিৰোধী। জনতাৰ আশা-আকাংক্ষা, অনুভূতিৰ প্ৰতি সহানুভূতিহীন তেওঁলোক। তেওঁলোক স্বদেশ-স্বজাতিৰ স্বকীয়তা ধ্বংস কৰিব বিচৰা বহুজাতিক দল কিম্বা ক'ম্পেনীৰ আজ্ঞাবাহী পুতলা অথবা গাধ। আসন আৰু শাসনৰ লিপ্সা পৰিণত হয় শোষণলৈ। শোষণ, বঞ্চনাৰ ৰাজনীতি তথা নেতা আৰু নেতৃত্বৰ বিবেকহীন যাত্ৰাই ৰাজ্যৰ সামগ্ৰিক উন্নয়ন টুটাই হে আনে। শাসনৰ বাঘজৰী লৈ ৰাজনৈতিক দলে সাধাৰণ জনতাকো টোপ দিয়াৰ ৰাজনীতি কৰে। ঘৰতে সূতা-কম্বল, এটকীয়া-দুটকীয়া চাউল, চাইকেল-স্কুটী, কম্পিউটাৰ-জমাধনৰ ফোঁৰাৰা দেখি গদগদ হয় 'ষ্টুপিড কমন পিপ'ল'। এজাক গাধই নিজৰ লালসাৰ বাবে আন এজাক গাধৰ সৃষ্টি কৰি লৈছে। ৰাজনৈতিক তথা সমাজ জীৱনৰ এই গাধ নিৰ্মাণ পৰ্বই মনত পেলাই মোমাই কটা গড়লৈ, মনত পেলাই দেৱকান্তৰ 'লাচিত ফুকন'লৈ।





Scanned by CamScanner



❐ "তেওঁতো অকণো কান সাৰ নাই, কত যে ৰঙেৰে চৰে,
এমুঠি দানৰ কাৰণে সকলো প্ৰভুৰ পাছত লৰে।"

জাতিৰ দুৰ্দিনৰ সময়তো, ভেটি-মাটি-মাত-কথা উছন যোৱাৰ উপক্ৰম হোৱা সময়তো আমাৰ অসমীয়াৰ ৰং আৰু উছাহৰ অন্ত নাই। পহিলা ডিচেম্বৰৰ পৰাইপ্ৰতি বছৰে আমাৰ জাতীয় উছৱ বিহু আৰম্ভ হয়। বৈদ্যুতিন



Scanned by CamScanner



*এম. এফ. হুছেইনৰ শিল্পকৰ্ম*

মাধ্যমৰ পৃষ্ঠপোষকতাত 'বিহু নহয়, বৰবিহ' হয়। তাতে শেষ ডিচেম্বৰৰ ৰাতিৰ মায়াবী পৰশে অসমীয়াৰ ৰঙৰ উছাহ দুগুণে বঢ়াই। লগে লগে পিকনিকৰ নামত চলে অসমীয়াৰ খোৱাৰ আৰু ভোগ কৰাৰ জোৱাৰ। সৰস্বতী পূজা, শিৱৰাত্ৰি আৰু তাৰপাছত মে'লৈকে বসন্তৰ আদৰণি-সামৰণিৰ বিৰাট আয়োজন। আৰম্ভ হয় অনেক উৎসৱ-মহোৎসৱৰ। আগবেলা পুত্তলিকা দাহ কৰি 'লেই লেই ছেই ছেই' কৰা নেতাক আনি মঞ্চত পিছবেলা ফুলাম গামোচা পিন্ধাই আমি কিহৰ গোলাম হওঁ?

❒ **"বাহিৰত সউ বিপ্লৱ ঘটে অশেষ যত্ন কৰি,**
**আমি নিৰূপিলোঁ কানিৰ মূল্য কিমানত কেইভৰি!"**

দেশ বা জাতিৰ মংগল সাধনৰ বাবে যিসকলে অশেষ যত্ন কৰিছে, তেওঁলোক সদায়ে উপেক্ষিত অথবা নীৰৱ। 'স্বদেশ প্ৰেমৰ কোবাল সোঁতত গছতল-বাঁহতল' সৰৱ কৰা সকল আত্মপ্ৰাসাদত মাতাল। যিসকল জাতিৰ বাবে দায়বদ্ধ তেওঁলোকে বিজ্ঞান-সংস্কাৰক ধোঁৱাচাঙত তুলি নমামীৰ দীক্ষামন্ত্ৰ অথবা ভূমি পূজনত ব্যস্ত। কেন্সাৰক ঈশ্বৰৰ অভিশাপ বুলি কৈ চিকিৎসালয় নিৰ্মাণৰ বাবে উত্তৰ ভাৰতৰ পণ্ডিতক আনি ভূমি পূজনৰ পৰম্পৰাত অটল ৰাজ্যত দাইনী হত্যা সেয়েহে সুলভ; বান-গৰাখহনীয়াৰ বাবে নদীক পূজা দিয়া দৃশ্য সেয়েহে সুলভ।



Scanned by CamScanner

❒ "মন্ত্ৰীত্ব যাৰ শেষ কল্পনা, এচেম্বলী যাৰ আশা, সিনো কি বুজিব হে বীৰ, তোমাৰ ৰণদুৰ্মদ ভাষা।"

ৰাজনৈতিক ভণ্ডামি, স্বাৰ্থ-তোষামোদ, সামাজিক অধঃপতন, সাংস্কৃতিক স্খলন, পৰাধীনতাকে ন্যায়ৰূপে গণ্য কৰা নেতাৰ সম্মুখত 'লাচিত ফুকন' স্মৃতিসভা আৰু চৰকাৰী বন্ধৰ এটা খাদ্যসূচী মাথোঁ। দিন হাজিৰা দি ৰাজনৈতিক দলৰ সভালৈ গাড়ী ভৰাই মানুহ অনা, 'বক্তৃতা দি আকাশ কঁপাই, চিঞৰত টেঁটু ফালি ৰণচালি ধৰা' আজিৰ ৰজা-মন্ত্ৰী-সেনাপতিৰ বাবে ভোট, সমষ্টি, এচেম্বলি, পাৰ্লিয়ামেণ্টেই 'স্বদেশ পূজাৰ মন্দিৰ'।

দেৱকান্ত বৰুৱাৰ এই কবিতাটো অসমৰ সমাজ-ইতিহাসৰ বাবে সময়ৰ উৰ্ধৰ এটা কবিতা। এফালে ঐতিহ্যবোধ আৰু স্বদেশানুৰাগ আৰু আনফালে সমকাল চেতনাই কবিতাটো তাৎপৰ্যপূৰ্ণ কৰি তুলিছে। আমি নাজানো কলঙপৰীয়া দেৱকান্তই নিজৰ সময় আৰু সমাজতকৈ অনাগত পঞ্চাশ বছৰৰ দূৰদৃষ্টিয়ে এই কবিতাটো লিখিছিলনে নে আমি দেৱকান্তৰ সময়ৰ বিগত পঞ্চাশ বছৰৰ দেওনাতে আবদ্ধ হৈ আছোঁ! লাচিতক আমি আবাহন কৰিব নোৱাৰোঁ, কিন্তু আমাৰ প্ৰজন্মই সেই শক্তি, ঐক্য, মনোবল আৰু বিজ্ঞান মানসিকতাৰে একগোট হ'ব পাৰোঁ। "আকউ এবাৰ ৰঙা কৰি মৰোঁ লুইতৰ বগা পানী" বুলি দেৱকান্তৰ আহ্বানক উপেক্ষা নকৰাকৈ আমি স্বদেশৰ বাবে জীয়াই থাকি লুইতপৰীয়া সমাজ-সভ্যতাৰ আদৰ্শ আৰু সাংস্কৃতিক ঐশ্বৰ্যক সমৃদ্ধ কৰোঁ বুলি আগবাঢ়ি আহিব পাৰোঁ।।

*ফোন ৯৯৫৪৪০৯৫৪৬*



দেৱকান্ত বৰুৱাৰ এই কবিতাটো অসমৰ সমাজ-ইতিহাসৰ বাবে সময়ৰ উৰ্ধৰ এটা কবিতা। এফালে ঐতিহ্যবোধ আৰু স্বদেশানুৰাগ আৰু আনফালে সমকাল চেতনাই কবিতাটো তাৎপৰ্যপূৰ্ণ কৰি তুলিছে। আমি নাজানো কলঙপৰীয়া দেৱকান্তই নিজৰ সময় আৰু সমাজতকৈ অনাগত পঞ্চাশ বছৰৰ দূৰদৃষ্টিয়ে এই কবিতাটো লিখিছিলনে নে আমি দেৱকান্তৰ সময়ৰ বিগত পঞ্চাশ বছৰৰ দেওনাতে আবদ্ধ হৈ আছোঁ!



Scanned by CamScanner



ৰুদ্ৰ সিংহ মটক

## ৰাজপথৰ জুইকুৰা দেখা নাই ঈশ্বৰহঁতে

শাৰী পাতি থিয় দিয়া উজ্জ্বল
টিক-টিকীয়া, ৰঙা ৰঙা
ফিৰঙতি

আমাৰ মিছিলৰ ছাঁ সেয়া

খোজ কাঢ়ি আগুৰাই যোৱা ৰাজপথৰ
জুইকুৰা
আহিৰ উচুপনি নুবুজা শিয়াল-শগুনৰ
বিৰুদ্ধে আমাৰ লৌহ হৃদপিণ্ডত থকবকাই থকা জীয়া
তেজৰ অনন্তকালৰ বিদ্ৰোহ

চা চা
দাউদাউকৈ জ্বলিছে জুইকুৰা
নে ধূলি উৰুৱাই তেজ কদমত যুদ্ধৰ
ৰঙা ঘোঁৰা



Scanned by CamScanner

নেদেখিলে এন্ধাৰৰ চয়তানহঁতে
ফিৰিঙতিবোৰৰ খঙাল মুখ
দুচকুত জ্বলি থকা বিজুলী শিখাৰ
তাণ্ডৱ

অন্তহীন দেওধনি

মই সিহঁতৰ চকুত সাতবাৰ থুৱাই দিছো
মই সাতখন ছুৰিৰে সাতবাৰ
ছিৰাছিৰ কৰিছোঁ সিহঁতৰ ৰক্তহীন সীহৰ
কলিজা

তথাপি ৰক্তাক্ত নহ'ল সিহঁতৰ
দাঁতৰ ছুৰী
তথাপি ছিৰাছিৰ নহ'ল সিহঁতৰ লোভ
আৰু লালসাৰ দীঘল জিভাবোৰ

স্তব্ধ নহ'ল সিহঁতৰ শিলৰ
উশাহ,- যাৰ অন্য নাম অবিশ্বাস ,
যাৰ অন্য নাম
ঘাতকতা
যাৰ অন্য নাম ডান্টেই দেখা সেই 'ইনফাৰনো'
য'ত প্ৰেম নাই মাথো ঘৃণা আছে
য'ত আশা নাই ,মৃত্যুৰ হাতোৰাৰ আঙুলিৰ
এন্ধাৰ আছে
য'ত গছ-নদী-চৰাই জোন-বেলি-তৰা





Scanned by CamScanner

আকাশ একো নাই ; যি আছে সেয়া কেৱল
লোভ
কেৱল অবিশ্বাস ; সূৰ্য আৰু আকাশ হো-
হোৱাই
খহি পৰা নৰকৰ প্ৰতাৰণা

যি আছে সেয়া, বতাহ নুমাই যোৱা
দানৱহঁতৰ মৃত তেজৰ অট্টহাঁহি
যি আছে ,সেয়া হো-হোৱাই জ্বলি থকা নিমখ
আৰু ছালফাৰ
শ্মশানৰ ক'লা ধোঁৱা, এঙাৰ আৰু মৰা ধূলিৰ
সাতখন শুকান সাগৰ
নে ঘৃণাৰ থুই আৰু অবিশ্বাস আৰু অন্তহীন
ঘাতকতাৰ ছাইৰঙী এন্ধাৰ

ছিঃ ইমান নীচ ,ইমান অন্ধ নৰকৰ হাতোৰাৰ
এই নিলাজ ঘড়ীৰ কাঁটাবোৰ !!

নিচিনিলে সিহঁতে
নেদেখিলে মৰা শগুনৰ ঘোলা চকুবোৰে
বাট হেৰুৱা স্ফৰ্ধিৰ উন্মাদ ঈশ্বৰহঁতে
চয়তান
আৰু
চান্দাদহঁতে

ৰাজপথৰ শিল-আৰু-গ্ৰেণাইটৰ ৰাজহাড়
গছকি
হো-হোৱাই অহা হিলদ'ল-ভঙা এজাক
জুই-ধুমুহা ,-দলদোপ-হেন্দোলদোপ্ আমাৰ
পাহোৱাল দুবাহুৰ

জুই-ইস্পাতৰ দেউকাত।
*ফোন : ৯৯৫৪৬৩০৭০০*

বিকাশজ্যোতি শইকীয়া

## তেওঁলোক



তেওঁলোকে গান গালে আমি শুনিলোঁ
তেওঁলোকে অট্টহাস্য কৰিলে আমিও ফাটি পৰিলোঁ উল্লাসত

তেওঁলোকে বহুবাৰ ভাও ধৰিলে
আমি হাঁহিলো
তেওঁলোকে পেখম ধৰি নাচিলে
আমি হাতচাপৰি বালোঁ

তেওঁলোকে ইচ্ছানুসৰি
বাজনা বজালে, গালে, স্ফূৰ্তি কৰিলে

তেওঁলোকে কান্দিলে, হাতযোৰ কৰিলে, সাষ্টাংগে প্ৰণিপাত কৰিলে

আমি সমবেদনা জনালোঁ। আমাৰ চকু চুলচুলীয়া হ'ল।
আমি সমৰ্থন কৰিলোঁ।

তেওঁলোকৰ আনন্দ-উল্লাস-হাঁহিৰ পৰিমাণ বাঢ়ি গৈ থাকিল



Scanned by CamScanner

আমাৰ চকু কোটৰত সোমাল
পানী বাঢ়ি গৈ থাকিল
আমি নাঙঠ হৈ গৈ থাকিলোঁ

তেওঁলোকে মাক ধৰ্ষণ কৰিলে
আমি ক'লোঁ এয়া ধৰ্ম
তেওঁলোকে ভাইটোক কাটি নদীত ভহাই দিলে
আমি ক'লোঁ এয়া গণতন্ত্ৰ
তেওঁলোকে আমাৰ ভঁৰালবোৰ জ্বলাই দিলে
আমি ক'লোঁ এয়া ন্যায়
এনেকৈয়ে আমি মানি ল'লোঁ সকলো
মূক হ'লোঁ
অন্ধ হ'লোঁ
বধিৰ হ'লোঁ

তেওঁলোক চৰাই হৈ উৰি থাকিল আকাশত
আমি পৰুবাৰ লানি নিছিগা সোঁত হ'লোঁ

আৰু প্ৰত্যেকদিনাই গছকত মৰি থাকিলোঁ

তেওঁলোক পোহৰ হৈ গৈ থাকিল
আমি এন্ধাৰত বাট নেদেখা হ'লোঁ।

নক্সাৰ কাব্য পৰিপূৰিকা ক্ৰন্দসী এতিয়াৰে পৰা মাহেকীয়াকৈ প্ৰকাশ হৈছে। কবিতা বিষয়ক ব্যতিক্ৰম আলোচনা, কবিতা, কবিতা পুথিৰ আলোচনা আৰু কবিতা সম্পৰ্কীয় যিকোনো বিষয়ৰ লেখা প্ৰেৰণ কৰিব পাৰিব।
*ক্ৰন্দসী* (ফোন আৰু হোৱাটছএপ্ ৮৬৩৮৭০৮০৭৮)
ই মেইল ঃ naksa.dhemaji@gmail.com



Scanned by CamScanner




ড° দীপকজ্যোতি মহন্তৰ গৱেষণাধৰ্মী গ্ৰন্থ

# অসমত ভাষা সম্পৰ্কীয়
# অধ্যয়নৰ গতি-প্ৰকৃতি

গ্ৰন্থখনত—

■ ভাষা সম্পৰ্কীয় অধ্যয়নৰ ইতিহাস ঃ পাশ্চাত্য আৰু প্ৰাচ্য, ■ অসমত ভাষা সম্পৰ্কীয় অধ্যয়ন ঃ ঐতিহাসিক পৰিক্ৰমা ■ অসমীয়া ভাষাৰ ঐতিহাসিক অধ্যয়ন ■অসমীয়া ভাষাৰ বৰ্ণনাত্মক অধ্যয়ন ঃ ধ্বনিতত্ত্বৰ অধ্যয়ন ■অসমীয়া ভাষাৰ বৰ্ণনাত্মক অধ্যয়ন ঃ ৰূপতত্ত্বৰ অধ্যয়ন ■ তুলনামূলক আৰু ভেদাত্মক অধ্যয়ন ■ অসমীয়া ভাষাৰ উপভাষা অধ্যয়ন ■ অসমীয়া ভাষাৰ ব্যাকৰণ ■ অসমীয়া ভাষাৰ অভিধান ■ অসমীয়া ভাষা অধ্যয়নৰ অন্যান্য দিশ', 'আৰ্যভিন্ন ভাষাৰ অধ্যয়ন ■ সংযোগী ভাষাৰ অধ্যয়ন ■সাধাৰণ ভাষাবিজ্ঞানৰ অধ্যয়ন ■অসমত লিপি সম্পৰ্কীয় অধ্যয়ন ■ ভাষা সম্পৰ্কীয় প্ৰকাশিত গ্ৰন্থ ঃ এক অসম্পূৰ্ণ তালিকা (কালানুক্ৰমিক,বিষয়ভিত্তিক) ■ গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভাষা বিষয়ক গৱেষণাৰ এক অসম্পূৰ্ণ তালিকা (প্ৰথমৰ পৰা ২০১০ চনলৈ)


— সন্নিবিষ্ট হৈছে।

প্ৰথম প্ৰকাশ ঃ ফেব্ৰুৱাৰী, ২০১৯


মূল্য ঃ ৩০০ টকা, পকা বন্ধা, ৩৪৪ পৃষ্ঠা।

(আমি ডাকযোগেও কিতাপৰ কপি প্ৰেৰণ কৰোঁ, ৮৬৩৮৭৩৫৭৬৯— নক্সা)

Scanned by CamScanner




সম্প্ৰতি অসমৰ নবীন-প্ৰবীণ কবিৰ চিন্তাৰ দ্যোতনাত ভূপেন হাজৰিকাৰ জীৱন-স্মৃতি-ব্যক্তিত্বৰ আনুভূতিক গুঞ্জনেৰে প্ৰকাশ হৈছে 'কাব্য-বীথিকাত ডঃ ভূপেন হাজৰিকা" নামৰ কবিতাৰ সংকলন। ডঃ নন্দিতা গগৈ ৰাজমহনে সংকলন-সম্পাদনা সংকলনটোত সন্নিবিষ্ট হৈছে,--নলিনীধৰ ভট্টাচাৰ্য, মামমি ৰয়ছম গোস্বামী, নগেন শইকীয়া, ৰাম গোস্বামী, ৰত্ন ওজা, কৰবী ডেকা হাজৰিকা, আনিছ উজ জামান, সমীৰ তাঁতী, নীলিম কুমাৰ, অমৰজ্যোতি চৌধুৰী, সুমিত্ৰা গোস্বামী, ভূপেন চক্ৰৱৰ্তী, প্ৰদীপ শইকীয়া, পূৰ্ণ ভট্টাচাৰ্য, অৰ্চনা পূজাৰী, প্ৰয়াগ শইকীয়া, দেৱপ্ৰসাদ তালুকদাৰ, অৱনী বৰা, প্ৰেম গগৈ, গংগামোহন মিলি, প্ৰাণজিৎ বৰা, তপন বৰুৱা, সমীন্দ্ৰ হুজুৰী, প্ৰণয় ফুকন, নন্দ সিং, বিৰিঞ্চি ভট্টাচাৰ্য, মেঘালী হাজৰিকা কাকতি, দিলীপ ৰঞ্জন দত্ত, গৌতম প্ৰসাদ বৰুৱা, বিৰিঞ্চি কুমাৰ মেধি, জয়জ্যোতি গগৈ, অজিত কুমাৰ বৰদলৈ, অৰুণ মহন্ত, ধ্ৰুৱজ্যোতি দাস, চৈয়দ চাদুল্লা, ৰনজিৎ তালুকদাৰ, ৰাজীৱ কুমাৰ ফুকন, তুলিকা চেতিয়া য়েইন, জোনমণি দাস, বিজয় ৰবিদাস, কমলেশ্বৰ কলিতা, বৰ্ণালী ভৰালী, কমল কটকী, ৰবীন ভূএগ্ৰা, নগেন বৰা, পীতাম্বৰ দেৱগোস্বামী, অভিজ্ঞান অনুৰাগ, নীৰেন বৰুৱা, শোভেন হাজৰিকা, কমল বৰা, ৰাজীৱ ভূএগ্ৰা, ত্ৰিদিব নন্দন বৰা, হৰেকৃষ্ণ দাস, সমীৰণ বৰদলৈ, অমৰেন্দ্ৰ নাথ বৰুৱা, ৰূপকুমাৰ বৰা, বীৰেন হাজৰিকা, দেৱব্ৰত মহন্ত, হৃষিকেশ দাস, ত্ৰৈলোক্যচন্দ্ৰ বৰা, সুব্ৰত চন্দ্ৰ, পৰশমণি দাস, মানসী গগৈ আৰু নন্দিতা গগৈ ৰাজমহনৰ কবিতা। তদুপৰি তিনিগৰাকী বাংলা পুৰোধা কবিৰ কবিতাও সংকলনটিত ঠাই পাইছে।




(আমি ডাকযোগেও কিতাপৰ কপি প্ৰেৰণ কৰোঁ, ৮৬৩৮৭৩৫৭৬৯-- নক্সা)



Scanned by CamScanner

জোনমণি দাস

## তাঁৰ ছিগা টোকাৰীৰ মাত

মণিকুন্তলা ভট্টাচাৰ্যৰ হাতত

সকলো নাৰীৰ দৰে
আপুনিও বুকুত গোপনে কঢ়িয়াই ফুৰেনে
তাঁৰ ছিগা টোকাৰীৰ মাত
অথবা আকণ্ঠ পিয়াহত মৰি অহা এখন পুৰাতন নদী?
আঁচলত আছুতীয়াকৈ ৰাখেনে বান্ধি
আখৈফুটীয়া এখন অকণমানি আকাশ!!

প্ৰাৰ্থনাৰ দৰে কৰুণ
অথচ দিপ্তীময় আপোনাৰ দুচকুৰ ছায়াত
মই চৰাই এহাল চৰি থকা দেখোঁ
বুকুৰ বলুকাৰাশিত
পোত গৈ পৰি থকা
প্ৰাচীন বাঁহী এটা
নিজে নিজে বাজি উঠা শুনো

আপোনাৰ নামেৰে মোৰ
বুকুৰ বীথিকাত ফুলি উঠা বকুলজোপাত
বিৰহ বসন্তই বৰকৈ বিনায়,
আৰু মই আকুল হৈ
অনন্তৰ পিনে চাই চাই ভাবোঁ
অনন্তৰ ইন্তেকাল আছেনে?
দৃষ্টিক দৃষ্টান্ত দি কেনেকৈ চাব পাৰি
অনন্তৰ অন্তিম বিন্দু!!

মোৰ আধৰুৱা গানবোৰত
সুৰৰ কোনো ডেউকা নাই,
জলন্ত সূৰ্যৰ উত্তাপ নাই
মোৰ উচুপনিৰ আখৰবোৰত।
নিজৰ ওচৰতে মায়াবন্দী হৈ
মোৰ প্ৰতিৱেই মোৰ অজানিতে জাগি
উঠে সমকাম...

মই নিজৰ ওচৰতে আঁজলি পাতো,
নিজৰ ওচৰতে মই ভিক্ষা মাগো
শুচি যোৱা সময়।

যদি হেমন্ত আহে,
যদি মৃগনাভীৰে নামি আহে ঈশ্বৰ পুত্ৰ,
হে পোহৰৰ মায়া
আপুনি মোক গোপনে
ক'বনে-
আছেনে আপোনাৰ বুকুত
তাঁৰ ছিগি বৈ যোৱা টোকাৰী মাত
অথবা আকণ্ঠ পিয়াহত মৰি অহা এখন
নদী...



অৰূপ কুমাৰ দাস

## অলপ দ্বন্দ্বাত্মক

যিদৰে মই প্ৰেমত পৰিছোঁ
ঠিক সেইদৰে প্ৰত্যাখানো কৰিছোঁ

বতাহে মোৰ কাণত সুৰ-সুৰনি তুলিছে
বেলিত মোৰ চকু চাং মাৰি ধৰিছে
ঘোটে ঘোটে এন্ধাৰে গৈ
মোৰ ডিঙিত সোপা দি ধৰিছে

সন্ধিয়া দোকানলৈ দৌৰি গৈ
চিগাৰেট এটা হোপাবলৈ মন কৰিছোঁ

জগত জহন্নামে গ'লেও
মোক মোৰ মাজতে ৰাখি থৈছোঁ

অলপতে বিদ্ৰোহী হৈ উঠিছোঁ
এজাক ধুমুহা হ'ব খুজিছোঁ

মাজে মাজে সপোনত সৰি পৰা পাতবোৰ
মাজে মাজে ভৰি পৰা লহ-পহ প্ৰতিশ্ৰুতি

জী থকা বুলি পতিয়ন গৈ থকা কথাটো
মই মোক দিয়া আটাইতকৈ ভয়ংকৰ ফাঁকি

আকৌ উশাহৰ অলেখ যুক্তিৰে
চতুৰ উকীলৰ দৰে ময়েই
অনায়াসে মৃত্যু পক্ষক ধৰাশায়ী কৰিছোঁ ।



Scanned by CamScanner

দ্বীপৰাজ

## দ্যা লাভ এফেয়াৰ

কথাই প্ৰতি ৰতিবিহ্বল হ'লে কামকলাত কি নিচা !
কি শৃংগাৰ ! কি স্ৰোতজীৱী !
ভালপোৱা যেন মাথোঁ জধলা টেঁটনি ।

(বিজ্ঞানতকৈ যৌনতা পুৰণি
ভালপোৱাত ঢোলকণি খায় অলৰ বন্ধনী)

ভালপোৱাৰ তাপমিতিত ষ্টিগমা হ'লে কেনেকৈ চলে !
এটা চুমাৰ পিছত এটা চুমা । আন্ধাৰ আৰু আন্ধাৰ
লেৰলেৰনিত এখন হালধীয়া মকৰাজাল !

অহৰহ চেঁচেয়নি এটাত জীৱন কি হ'ব পাৰে ?
হিৰ্- ৰেঞ্জা , চোহনী - মহোৱালক পাহৰিলা বুলি
পাহৰিছানে টাইটানিকৰ শেষৰটো দৃশ্য ?
মৃত্যুৰ আগতো প্ৰেমৰ নিচাই কিদৰে অবৈধ কৰিব পাৰে
ওঁঠ আৰু বুকুৰ উষ্ণতাক ?

কল্পনাত বিয়েট্ৰীছকো চুমা খাইছোঁ জুলিয়েটকো ।
এজন বৃদ্ধ ভিক্ষাৰী আছিলো সপোনটোত
টেমচৰ পাৰত, মিচিচিপিৰ পাৰতো হ'বমন ক্ষয় হৈছে
এয়া প্ৰেম
নে নিচা ?

নিচাক পণ কৰোতে ভংগুৰা হৈছে
দুনীয়া !
ছায়া
মায়া
কায়া ..



Scanned by CamScanner

ঋতুবাস্তৱ হাজৰিকা

## জীয়ন

চকুপানীৰে দুখৰ দুচকু পুতি
স্মৃতিৰ জীয়া ছবিবোৰ
নেদেখা হ'ব নোবাৰি বুলি জানিও
তিয়াই লওঁ অবস কাতৰ দুচকু

সুখ-দুখ দুয়োটাই আচলতে আঁচলৰ লগৰী
যাক বুকুত সামৰি প্ৰত্যেকে জীয়ন জীয়াই

ভাগৰি পৰাটো এটা অজুহাত মাথোঁ
নৈৰ সেই অজুহাত নাই বাবেই
নৈ বৈ বৈ ভগৰি নৰয় ।
নেভাগৰে

যেনেদৰে
পানীৰ মৈথুন সহি শিল শিল হৈয়ে থাকে

তেনেদৰে
ভংগু জীয়নৰ মৃতদেহ কঢ়িয়াইও
অঘৰী শিশুৰ চকুবোৰ ফুলহৈয়ে ফুলে

আপুনি নামানিলেও মই মানো
জীয়নো সেই একেদৰেই চলে ।।

পাৰ্থ সীমান বৈশ্য

## যেনেকৈ গধূলি

মগজু কুটি থকা নিগনিবোৰৰ
নাম গান

ইমান বেজাৰত গুণগুণাই উঠাখিনিক
তুমি কি বুলি ক'বা

বিগলিত নীৰবতাৰ ছাঁবোৰৰ নাম ধান
ইমান বেজাৰতো বৈ থকাখিনিক
তুমি কি বুলি ক'বা

সম্ভৱত চেঁচা
অথবা যোজন বাট

ৰ'দ কোমল মাটি চৰোৱা
ল'ৰাবোৰে কয়
বালিঘড়ীয়ে নিৰ্ধাৰিত কৰা আত্মহনন
এক প্ৰকাৰ পছোৱা

তুমি কি এই কথাক বিশ্বাস কৰি
দোৰোণ ফুলক মহটিয়াই নিয়া বানক
লালন পালন কৰিবা

মোৰ মূধচত বোমা দি পলাশ সিঁচি
তুমি কি ফাগুনৰ ৰাজনীতি কৰিবা ?



Scanned by CamScanner

লুইত কিৰণ দাস

## ফাগুনতে

মৰা নৈখনত সাতুৰি বালিমাহী উৰি গ'ল
একোকে কাকো কব নোৱাৰি
গোবাটত পৰি ৰ'ল কাৰ বুকুৰ মেথনি?

কিছুমান ঘটনা ফাগুনতে সংঘটিত হ'ল
ইমান ৰহস্যময় আৰু বিভ্ৰান্তিকৰ এই ফাগুন

সীমাত ফাগুনতে উৰিল বাৰুদৰ কবিতা
উৰিল কিছুমান মূৰ আৰু চিগি যোৱা আঙুলি

ৰাজপথত গধূলি আৰম্ভ হ'ল জুইৰ যাত্ৰা
ফাগুনতে শ্লোগান আৰু তেজৰ প্ৰতিযোগিতা

মোৰ গাঁৱৰ সোনপাহীয়ে ফুটপাথতে প্ৰসব কৰিলে
ফাগুনতে শিমলুত ওলমিল এখন শেতাপৰা মুখ
শ্ৰেণীসংগ্ৰামৰ আখৰাই ফাগুনক অহৌবলিয়া কৰিলে
ফাগুনতে বিহ পান কৰি গৃহহীন হ'ল উত্তৰাধুনিক এজন শিৱ।

সকলোবোৰ কথা সামৰি এজন কবি বহিছে জুইৰ কাষত
মেলি লৈছে লৰকাৰ কবিতা

(এই ফাগুনত প্ৰেয়সীৰ বাবে যে এটা কবিতা লিখিম!)

দূৰৈত ভোকত কান্দিছে বুঢ়ীআই
সীমান্তত শুকাই আছে মধুযেন এটি স্তন
জাতিক বচাবলৈ মাজনিশা এজাক ল'ৰাই বুলেট পিন্ধিছে বুকুত

কোনে কয় ফাগুন মানেই উৰি ফুৰা একোচা চুলি
প্ৰেয়সীৰ বুকুত ফুলা এডৰা সৰিয়হ!

উত্তৰটো বিচাৰি এইয়া
শুকাই যোৱা পথাৰখনত বাওঁভৰিটো পেলাইছোঁ...।





Scanned by CamScanner

হিমাংগ দাস

## বাসন্তীৰ বাবে এটা আৱেগিক কবিতা

আৱেগতে মই চুই দিছিলোঁ বাসন্তীৰ সেউজীয়া এপাহ
নিমিষতে তাইৰ মুখখন হৈ উঠিছিল
জেতুকাৰ ৰঙা



উফন্দা তেজৰ নৈখনে
তাইক মাতি নিছিল ঘৰলৈ

আৱেগতে মই পাহৰি গৈছিলো
লাজৰ সিৰসিৰণি

পগলা কবি হৈ তাতেই ঘূৰি ঘূৰি গাইছিলো
ৰখাই থোৱাৰ কবিতা

আৱেগতে জীৱন চলেনে বুলি
ভেকাহি মাৰি তাই মোক কৈ গৈছিল
বিচাৰ দিম তোক

এতিয়া মই পাৰ হৈ আহিলো বহু বসন্ত
বাসন্তীৰো পাৰ হৈ গৈছে একেই বসন্ত

অলপতে সিদিনা দেখিলো তাইক
বাটৰ মূৰৰ পানীৰ টেপ টোত
মেক্সিটো থেকেচি
উকলি যোৱা লহপহ জীপাল কৰি আছে

আৰু মই ঢোলবোৰৰ গুমগুমনিত
আৱেগতে নচুৱাই থাকিলো
মোৰ ভিতৰখন

এনেকৈয়ে
বসন্ত পাৰ হৈ যায়
বাসন্তী বুঢ়ী হৈ যায় ।।





Scanned by CamScanner

ননী বৰদলৈ

# সেউজীয়া সাগৰৰ ঢৌ

সেউজীয়া সাগৰ ।
দুচকুত বুৰ যায় সেউজীয়া সাগৰৰ ঢৌ
চান্দনী লচমী ফিলমিনাহঁতৰ দেহৰ লুণীয়াবোৰ
সাগৰখনে শুহি লয়
নিমখীয়া ফিকা এবাতিৰে সঞ্চয় কৰা শক্তিখিনি
পিতপিতাই ফুৰে সাগৰত
সাগৰৰ সেউজীয়াবোৰতে সিহঁতৰ জীপাল প্ৰাণ
সাগৰৰ ঢৌ ফালি ফালি সিহঁত উজাই যায়
ভটিয়াই আহে
ৰ'দে পোৰা দেহা বৰষুণে নিচুকায়
কঠিন আঙুলিৰ ছন্দত
সেউজীয়া ঢৌৰ পাহি ছিঙে
খোচনিৰ তামোল ভালপোৱা হৈ
কোনোবা মৰদৰ মুঠিত বন্দী হয়
বুধুৱাহঁতৰ শিতানে পথানে গোপন
প্ৰেমে পোখা মেলে
শাৱন ভাদৰ মাসে কাশি ফুটে চাৰো ধাৰে ...
... চল সখী নাচিব ঝুমুইৰে ...
সেউজ সাগৰখনৰ লুণীয়াবোৰ সিহঁতৰ
তেজ হয়
তেজবোৰ ঘাম হৈ
আকৌ সাগৰখনত বিয়পি পৰে
ভাগৰবোৰ ঝুমুইৰৰ সুৰত টোপনি যায় ।

পুৱা আমি চাহৰ পিয়লাৰে পি খাওঁ
সিহঁতৰ দুখৰ ৰং আৰু সুখৰ সপোন ।





Scanned by CamScanner

চুনা কুমাৰ পাঠৰী

## ৰুমত অকস্মাৎ ফাগুন

ভাতৃপ্ৰতিম অমৰ মৰাণৰ হাতত





অলপ আগলৈকে একোৱে নাছিল
কি আচৰিত! ঘটনাটো ফাগুনৰ।

ঠিক চকামকাকৈ খিৰিকীত দেখিছিলোঁ
কণমানি ঢৌ-খেলা কঁকিলা মাছৰ দৰে
ধোঁবাবৰণীয়া ৰুপালী চুলি একোছা,
ইমান ধুনীয়াকৈ ফুল-তেল সানি
ৰ'দাই খিৰিকীত আউজী থকা ।

আৰু সজল চকুৰ শোকাৰ্ত বননিত
কেইখনমান বিষাদৰ স্মৃতিচিলা
উৰি উৰি গতিহীন হৈ বৈ গৈছিল
চকুপানী ঘণীভূত শেষৰটো
সোঁৱৰণী নিৰ্জন দ্বীপত ।

এতিয়া ৰ'দ-বতাহে নিৰাই থোৱা
লাহী শাওধান যেন
বিশৃংখল চুলিটাৰি
ফণীৰে আঁচুৰি আছা,
মোৰ অবচেতন মনত ছুলেনয়ডৰ দৰে
অকোবা-পকোবা ব্যাখাহীন
অলেখ ভাবনা ।

আচলতে কাহিনী এটাৰ ভিতৰতো কাহানি
এটা লুকাই থাকে
যিটো কোনোদিনে কৈয়ো শেষ কৰিব
নোৱাৰি।
এনেতে আচম্বিতে খিৰিকীৰ ফাঁকেৰে
ধূলিৰ বতাহৰ সোঁতে সোঁতে জিৰিজিৰি
বৈ গ'ল
দেওলগা এখন গভীৰ শিমলু তেজৰ
সৰ্পিল নৈ
বিবৰ্ণ চুলিৰ।

আৰু ৰ' লাগি
থৰ হৈ চাই থাকোঁতেই
ক্ষত-বিক্ষত দুচকুলৈ স্মৃতি-বিস্মৃতিৰ
এসোপা তীক্ষ্ণ কাঁইট ছটিয়াই
তাই উধাও।

কওঁ বুলিও একোৱেই নহ'ল কোৱা!

কি আচৰিত !ঘটনাটো ফাগুনৰ।
অলপ আগলৈকে একোৱে নাছিল...।



Scanned by CamScanner

হেমচন্দ্র কছাৰী

## পুষ্পক ৰথৰ দৰে

কালজয়ী কোনো নহয়
ৰংঘৰ,তাজমহল খহিছে
পাহাৰ গুচি সাগৰ হৈছে
সাগৰ গুচি পাহাৰ হৈছে
তেন্তে আমি কোন কুটা

তুমিও ক্ৰমান্বয়ে পুৰণি হৈ গৈয়ে আছা
সেইবুলি দ্বিতীয় হাতৰ হ'বলৈ নিদিও দিয়া
তুমি জানানে নাজানা নাজানো
পুৰণিয়েই যে বহুতৰ জীয়াই থকাৰ সমল

অকপটে কওঁ-তুমি মোৰ বৰ মৰমৰ
ভালদৰেই বুজি পাওঁ-ভোক আৰু যাতনা তোমাৰ

সঁচাকৈ, ক'লৈ ক'লৈ যে যোৱা নাই আমি
বেয়া বাট-বোকা বাটবুলি বৈ থকা নাই
জোং আৰু গজালৰ খোঁচত বহুবাৰ কষ্টও খাইছো

আৰু! সেই অভিশপ্ত দিনটোৰ কথা মনত পৰিলে বুকুখন কঁপে
আমি তিনিও, মানে-তুমি মই আৰু মোৰ পিছত বহি থকা মোৰ ভাইৰ কথা কৈছোঁ
ওপৰলৈয়ে যামগৈ বুলি ভাবিছিলো

তুমি তোমাৰ হস্পিতেলত
আমি আমাৰ হস্পিতেলত
কেঁকাই কেঁকাই বহুদিন পৰি থাকিলো

হ'ব দিয়া আৰু বেছি নকওঁ
অতীতক পাহৰি যোৱা পৰিবৰ্তনশীল সমাজে হাঁহিব
মনত ৰাখিবা-তুমি মোৰ বাবে কেৱল এখন দুচকীয়া বাহন নহয়
কুবেৰৰ পুষ্পক ৰথৰ দৰে মোৰো পুষ্পক তুমি
তোমাক কেতিয়াও 'দ্বিতীয় হাত' ৰ হ'বলৈ নিদিও এৰি ।।



Scanned by CamScanner

দিগন্ত নিবিড়

## সোণপাহি

কপালৰ ঠিক তলতে তোক
দুটা জোন খুচি দিছিল কোনে।

ঠিক কিছু তলতে
এঢলীয়া এখন পাহাৰ

আৰু শব্দৰ নৈখনৰ
ৰঙচুৰা দুটি পাৰ।

কোনে তোৰ হেঙুলীয়া তোৰণ দেখি
এৰি থৈ আহিছিল জীৱন


তই ৰূপহী কলি
অ' সোণপাহি

তোৰ সাগৰ যেন গাল
অৰণ্যৰ চুলি

সৰল গছৰ ডিঙি তোৰ
কোমল ঘাঁহৰ আঙুলি

মই মৰি যাওঁ দে
কদমৰ তলত পিছলি

তই ভৰি ধোৱাৰ পৰত
পানীয়ে খোৱা কলাফুল দেখি।



দীপালি দেৱী চৌধুৰী

## কবিতা

কি খোজো কি খোজো
ওপজি পোৱা ৰাতিটো
হাবিত পৰি থাকিল

কি খোজো কি খোজো
বালিচন্দাৰ সময়বোৰ
সাগৰৰ ঢৌত পৰিল

কি খোজো কি খোজো
সকলো হেৰায়
খোজো ভাবোতেই

বহু নিলগত তৰাটো
জিলমিল দুপৰ নিশা
বুকুত সোমাহি আহ
দূৰৈ হৈও চা
ছাঁ পৰি নিজানত
জুপুৰিৰ মুধচত

নিঃকিন সময়
মোৰ চোতালত।



Scanned by CamScanner

মদাৰজ্যোতি কছাৰী

## পানী-ঘোঁৰা

গম পোবাৰ কথা নাছিল ৰবধঃ অন্য এদিন
দুপৰীয়া ৰ'দত তাৰ ঘোলা চকু হাল
ওলট-পালট হৈ পৰিল
তাৰপিছত,
শ্মশান যাত্রা সংগত মাছৰ সমদলটো উলটি গ'ল

সিদিনা আহিব বুলি
সৰাপাতবোৰ বৈ আছিল । পানী খোৰা চলেৰে
হয় যদি হওক দুটি কথা
অথচ পানী-ঘোঁৰা সিদিনা নাহিল

নৈ চলেৰে
আৰু স্বাৰ হৈ যোবা এটা বুঢ়া লিচুপাতৰ মাজৰ কথা
ঢোলাৰ জেপত ৰূপালী মোহৰ
পানী-ঘোঁৰা আহে নৈ পথেদি । আৰু পাছে পাছে
উঠি আহে সমস্ত নৈ



ইতি কথা
ঘোঁৰাটোৰ বাবে চহৰখন বেনামী হৈ উঠে
অস্পষ্ট হৈ উঠে লেকাম নক্ষত্র ।
বিষয় ঃ ভাবনা বলবৎ নষ্ট চহৰীয়া আইন ছিডি
নষ্ট তিৰোতাবোৰে সন্ধ্যাটোক খেদি ফুৰে

গুণ-কথা চৰিত্র
মাটি আৰু নাৰী কথা ।

পানী-ঘোঁৰা আহে
সি নাহে
তাৰ ইচ্ছামতেই সি সকলো কৰিব পাৰে ।



Scanned by CamScanner

সুপ্ৰকাশ দাস

## ফাগুন

নিজানত এটা চিগাৰেট হুপি
ফাগুন বহি আছিল

বেলি মাৰ গৈ আছিল

কঁপা কঁপা মাতেৰে  সি পঢ়ি আছিল কবিতা

আৰু মই নিজকে আবিষ্কাৰ কৰিলোঁ
এক বিৰাট কোলাহল
নাইবা একুৰা জুইৰ মাজত।

ভালপোৱাৰ সলনি মই কথক হ'ব বিচাৰোঁ।

বেলিৰ বাহিৰে আন কাৰো মৃত্যু নহয়
মোৰো নহয় ফাগুনৰো নহয়।

ভালপোৱাৰ সলনি মই এজন কথক হ'ব বিচাৰোঁ।

o o o

কোনোবা ৰাস্তাৰ কিনাৰত
মাতাল হৈ পৰি থাকে জীৱন

তাকে কোনোবাই প্ৰেম বুলিলে
মই কম

এয়া ফাগুন।।





Scanned by CamScanner

দেবাশীষ বুঢ়াগোহাঁই

## মই মানুহ এটা হত্যা কৰিয়ে...



মই মানুহ এটা হত্যা কৰিয়ে
টোপনিত উচপ খাই খাই সাৰ পাই উঠোঁ,
তুমি জাতি এটা হত্যা কৰিয়ো
কেনেকৈ চাব পাৰা আইৰ মুখ।

এই জাতিটোৱে পুৰাকথা হেন নিষ্পাপ শৈশৱ এটা অতিক্ৰমি আহিছে
নিষ্পাপ মানে         সৰল, চালাকি নুবুজা
নিষ্পাপ মানে         বুকুৰ একালে চুৰী সোমাওঁতেও কলিজাটো যাঁচিব পৰা
নিষ্পাপৰ মানত       তুমি বুকুৰ ভিতৰত একুৰা জুই জ্বলাই ৰাখা,
একুৰা দুকুৰা নহয়, দাওদাওকৈ ৮৫৫ কুৰা।

এই জাতিটোৰ সমুখতে তুমি ৰূপ সলাই
প্ৰথম এটা সিংহ হ'লা- ত্ৰাণকৰ্তা, ৰজা, নায়ক
লাহে-লাহে কেশৰবোৰ সৰাত হৈ পৰিলা এটা ভোকাৰ্ত শ্বাপদ- স্বাৰ্থপৰ, নিৰ্মম
তাৰো পিছতে ও ঢাকি ফুৰা এটা মেকুৰী হ'লা- ভয়াতুৰ, প্ৰতিক্ৰিয়াহীন
একেবাৰে শেষত দেহাটো চপাই নিগনি হ'লা- নাকটো সুমুৱাই গাতত লুকুৱাই থ'লা।

এই জাতিটোক সাবটি ধৰিলা
প্ৰেয়সীৰ দৰেই স্বপ্ন দেখুৱালা
তাৰ পৰা পিঠিৰ পিছৰ পৰা উলিয়াই চটিয়াই দিলা এছিড
কলিজাত বহুৱাই দিলা চুৰী– (যিটো কলিজা দ্বিতীয় স্তৱকতে যাঁচি দিয়া হৈছিল)

একো লাভ নাই
গাই-বাই-চাই
একো লাভ নাই

শেষত শুনা
প্ৰলয় হ'ব-মহাপ্ৰলয়
তেতিয়া তোমাৰ গাতেৰে পানী সোমাওঁতে
নিগনি গুচি সিংহ হ'ব নোৱাৰিবা।



Scanned by CamScanner



ভিতৰ পৃষ্ঠাত ব্যৱহৃত সৰহ সংখ্যক চিত্ৰই ইন্টাৰনেটৰ পৰা লোৱা হৈছে।

নক্সা এখন কেৱল আলোচনী হিচাপে নহয়, এক মুক্ত মঞ্চ হিচাপে গঢ়িব বিচাৰোঁ। সমাজত নব্য চিন্তা-চেতনা দৃষ্টি-দৰ্শনেৰে সমৃদ্ধ কৰিব খোজা আমাৰ প্ৰয়াসৰ প্ৰতি আপোনাৰ আন্তৰিক সহযোগিতাৰ প্ৰয়োজন।

অগতানুগতিক চিন্তন আৰু মননেৰে আমাৰ যাত্ৰাৰ অংশীদাৰ হওক।

পঞ্জীকৃত ডাকযোগে ঘৰতে আপোনাৰ কপিটো পাবৰ বাবে যোগাযোগ কৰক ঃ

*(ধেমাজি কাৰ্যালয় ৯৯৫৪৪০৭০০৮। ডিব্ৰুগড় কাৰ্যালয় ৮৬৩৮৭৩৫৭৬৯। )*

**Email.**
naksa.dhemaji@gmail.com
**YouTube**. naksa-an assamese perodical
**Facebook**. **http:// www.facebook.com/ naksha.dhemaji**

ক্ৰন্দসীৰ সম্পাদক ঃ নিবিড় অনুৰাগ মানস


নক্সা

।। সম্পাদক ঃ ড° নৱ কুমাৰ চমুৱা।।

প্ৰকাশন সহযোগী ঃ যুগল সন্দিকৈ কলা সম্পাদক ঃ হোমেন শইকীয়া

নক্সা প্ৰিন্ট এণ্ড পাব্লিকেশ্বন, ৰতনপুৰ, ধেমাজি—৭৮৭০৫৭, ফোন ঃ ৯৯৫৪৪০৭০০৮ আৰু নক্সা প্ৰিণ্টিং ডিভিজন, ডিব্ৰুগড় বিশ্ববিদ্যালয় বজাৰ চৌহদ, ডিব্ৰুগড়—৭৮৬০০৪,ফোনঃ ৮৬৩৮৭৩৫৭৬৯ ৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত।

ইমেইল ঃ **naksa.dhemaji@gmail.com**


Scanned by CamScanner